**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

পঞ্চায়ত নিৰ্বাচনৰ কাইলৈ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ১৪ খন জিলাতে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। প্ৰথম পৰ্যায়ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত ভোটগ্ৰহণ হ'ব। এই পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান কালি সামৰণি পৰিছে। ভোটগ্ৰহণৰ বাবে বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বহু বিষয়ববীয়া ইতিমধ্যে কেন্দ্ৰলৈ ৰাওনা হৈছে।

**মাজুলী** জিলাৰ ৪টা জিলা পৰিষদ সমষ্টিত আৰু ২০ খন গাঁও পঞ্চায়তৰ ২১৩টা কেন্দ্ৰত ভোটগ্ৰহণ হ'ব। ইয়াৰে ২২টা ভোটকেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। দায়িত্বত থকা প'লিং বিষয়াসকল আজি ভোটকেন্দ্ৰসমূহৈ ৰাওনা হৈছে।

নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ হ'বলগীয়া জিলাসমূহত কাইলৈৰ দিনটো ৰাজহুৱা বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত জিলাসমূহৰ পঞ্চায়ত নিৰ্বাচন ক্ষেত্ৰৰ অন্তৰ্গত অঞ্চলৰ সকলো চৰকাৰী বেচৰকাৰী কাৰ্যালয়, পঞ্চায়ত আৰু স্থানীয় নগৰ নিকায়, শিক্ষানুষ্ঠান, বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান, চাহ বাগিছা, উদ্যোগ আদি বন্ধ থাকিব।

ইপিনে দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰস্তুতি অব্যাহত আছে।

oooooo

কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ ৰাজনৈতিক পৰিক্ৰমা বিষয়ক কমিটীয়ে এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি নতুন দিল্লীত সাংবাদিকক এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে দেশৰ সামাজিক গাঁথনি যাতে বিঘ্নিত নহয় সেই কথা বিবেচনা কৰি জৰীপৰ পৰিৱৰ্তে লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰা উচিত। এনে গণনাই সমাজৰ আৰ্থ-সামাজিক পৰিকাঠামো সুদৃঢ় কৰিব আৰু ৰাষ্ট্ৰৰ প্ৰগতি অব্যাহত থাকিব বুলি শ্ৰীবৈষ্ণৱে উল্লেখ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে মন্ত্ৰীসভাৰ অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক সমিতিয়ে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষে মেঘালয়ৰ শ্বিলঙৰ সমীপৰ মাইলংখুঙৰ পৰা শিলচৰৰ ওচৰৰ পঞ্চগ্ৰামলৈ এটা দ্ৰুত গতিসম্পন্ন কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰকল্পই উত্তৰ পূৰ্বাঞ্চলৰ আমূল পৰিৱৰ্তন সাধন কৰিব। মন্ত্ৰীগৰকীয়ে কয় যে এই পথটোৰ দৈৰ্ঘ্য ১৬৬ কিলোমিটাৰৰো অধিক হ'ব আৰু পথটোৱে ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ আৰু বৰাক উপত্যকাৰ সৈতে যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব। আন্তঃগাঁথনি উন্নয়নৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ এই প্ৰকল্পটোৱে গুৱাহাটী, শ্বিলং আৰু শিলচৰৰ মাজত আন্তঃচহৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধন কৰিব আৰু ৬ নম্বৰ ৰাষ্ট্ৰীয়

ঘাইপথত যান-জঁট হ্ৰাস কৰাত সহায় কৰিব। কাম সম্পূৰ্ণ হৈ উঠাৰ পাছত এই প্ৰকল্পটোৱে অসম, মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ আৰ্থ-সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০০

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

কামৰ সময় দৈনিক ৮ ঘণ্টা নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'শ্ৰমিকসকলৰ সুৰক্ষা আৰু স্বাস্থ্য'। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে। দেশৰ ভিন্ন প্ৰান্তৰ লগতে ৰাজ্যতো আজি শ্ৰমিক দিৱস পালন কৰা হৈছে।

০০০০০০

বাৰিষাৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ হাতী ছাফাৰী পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত পৰ্যটকৰ বাবে আজিৰ পৰা বন্ধ থাকিব। অৱশ্যে বতৰৰ ওপৰত নিৰ্ভৰ কৰি জীপ ছাফাৰী ১৫ মে'লৈকে খোলা থাকিব বুলি মঙলদৈৰ বন্যপ্ৰাণী  সংমণ্ডলৰ বন সংমণ্ডল বিষয়াই জানিবলৈ দিছে।

০০০০০০

চৰাইদেউ জিলাৰ বিশিষ্ট ক্ৰীড়া সংগঠক তথা সমাজ সেৱিকা অঞ্জলী মোহন চেতিয়াক টাই-আহোম যুৱ পৰিষদৰ চৰাইদেও জিলা সমিতিয়ে কালি ২০২৫ বৰ্ষৰ বীৰাঙ্গনা মূলাগাভৰু বঁটা প্ৰদান কৰে। এই বঁটাৰ সৈতে এখন চেলেং, গামোচা, জাপি, এখন হেংডাং, সম্বৰ্ধনা পত্ৰ আৰু এটা স্মাৰক পত্ৰ আছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি **ব্লক চেন মৌং** শীৰ্ষক স্মৃতিগ্ৰন্থ যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ দেৱব্ৰত শৰ্মাই উন্মোচন কৰে।

০০০০০০

বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত দতমাৰ থুলুংগাপুৰীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বড়োফাৰ স্মৃতিত শ্ৰদ্ধা জনাই আয়োজিত এই অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা উপস্থিত থাকিব। বড়োফাৰ স্মৃতিত এবছুৰে আজি বিয়লি চাৰে ৫ বজাত বিটিআৰকে ধৰি ৰাজ্যৰ প্ৰতিঘৰ আৰু ৰাজহুৱা স্থানত ৫ লাখ মাটিৰ চাকি আৰু মমবাতি জ্বলোৱাৰ সিদ্ধান্ত লৈছে।

ইপিনে, অসম চৰকাৰৰ উদ্যোগত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে আজি নতুন দিল্লীত হ'বলগীয়া এটা অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব আৰু এম চি ডি পাৰ্কত এখন ৰাজহুৱা সভাত ভাগ ল'ব। তেওঁ লগতে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিশেষ অতিথি হিচাপে ভাগ ল'ব। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু দিল্লীৰ মেয়ৰ ৰাজা ইকবাল সিং  অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

ৰাষ্ট্ৰীয়  শিক্ষানীতি ২০২০ অনুসৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত তেজপুৰ  বিশ্ববিদ্যালয়ে ২০২৫-২৬ শিক্ষাবৰ্ষৰ পৰা ৮টা নতুন পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নতুন দ্বৈত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমসমূহত উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ সংহত পাঠ্যক্ৰম হিচাপে অভিযান্ত্ৰিক আৰু ব্যৱস্থাপনা শিক্ষাৰ সমন্বয় কৰা হৈছে। নতুন পাঠ্যক্ৰম সমূহত আছে- ভাষা বিজ্ঞান আৰু ভাষা প্ৰযুক্তিত স্নাতক, সমাজতত্ব বিভাগত স্নাতক, সৌৰশক্তি অভিযান্ত্ৰিকত স্নাতকোত্তৰ, উৎপাদন প্ৰযুক্তি আৰু স্বচালন প্ৰযুক্তিত স্নাতক, অনুবাদ অধ্যয়নত স্নাতকোত্তৰ, নৱীকৰণযোগ্য শক্তি আৰু শক্তি ব্যৱস্থাপনাত কাৰ্যকৰী উন্নয়ন আৰু বিত্তীয় বজাৰ অধ্যয়নত স্নাতকোত্তৰ ডিপ্লমা। বিশ্ববিদ্যালয়খনে ইতিমধ্যে বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনলাইন পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ০০০০

ডিব্ৰুগড়ৰ খলিহামাৰী নিবাসী সৰবৰহী মহিলা মফিদা শ্বাহৰ আজি পুৱা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। ১৯৬৩ চনত মুক্তি পোৱা তেজীমলা ছবিত তেজীমলাৰ সখীয়েকৰ ভূমিকাত অভিনয় কৰা মফিদা শ্বাহ বিভিন্ন সাংস্কৃতিক কামৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

সমাপ্ত